**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-04-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা সকলক ৫১ হাজাৰৰো অধিক নিযুক্তিপত্ৰ বিতৰণ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত পাকিস্তানৰ সৈতে থকা ১৯৬০ চনৰ সিন্ধু জল চুক্তি সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে।

৩। বিশ্বৰ ৰোমান কেথলিক চাৰ্চৰ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত সম্পন্ন কৰা হ'ব।

৪। কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আজি ছিকিমৰ গেংটকত আয়োজিত উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি মন্ত্ৰীসকলৰ এখন সন্মিলনত অংশগ্ৰহণ কৰিব। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে দেশৰ বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা সকলক ৫১ হাজাৰৰো অধিক নিযুক্তিপত্ৰ বিতৰণ কৰিব। এই উপলক্ষে শ্ৰী মোদীয়ে নৱ নিযুক্তসকলক উদ্দেশ্যি ভাষণো দিব। দেশত নিয়োগ সৃষ্টিত সৰ্বাধিক অগ্ৰাধিকাৰ দিয়াৰ প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে ৪৭ টা বিভিন্ন স্থানত এই পঞ্চদশ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে যুৱক-যুৱতীসকলৰ সৱলীকৰণ তথা ৰাষ্ট্ৰৰ বিকাশত তেওঁলোকৰ অৰ্থপূৰ্ণ অৰিহণা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিব। নতুনকৈ নিযুক্তি পোৱাসকলে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত যোগদান কৰিব।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীৰ বাসগৃহত পাকিস্তানৰ সৈতে থকা ১৯৬০ চনৰ সিন্ধু জল চুক্তিৰ সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। উল্লেখযোগ্য যে পহলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছতে ভাৰতে ততালিকে প্ৰযোজ্য হোৱাকৈ সিন্ধু জল চুক্তি বাতিল কৰিছে। কালিৰ বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলৰ সৈতে কেইবাগৰাকীও জ্যেষ্ঠ চৰকাৰী বিষয়ববীয়া উপস্থিত থাকে।

বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জলশক্তি মন্ত্ৰী চি আৰ পাটিলে কয়, যে ৰাষ্ট্ৰৰ স্বাৰ্থৰ হকে চৰকাৰে সিন্ধু জল চুক্তি সন্দৰ্ভত ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয়, যে সিন্ধু নদীৰ পৰা পাকিস্তানলৈ যাতে এটোপাল পানীও যাব নোৱাৰে চৰকাৰে সেইটো নিশ্চিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

০০০০

ভাৰত ভ্ৰমণলৈ অহা ১৯১ গৰাকী পাকিস্তানী নাগৰিকে কালি পাঞ্জাবৰ অমৃতচৰৰ আট্টাৰি-ৱাঘা সংহত চকীয়েদি নিজ দেশলৈ প্ৰত্যাৱৰ্তন কৰে। পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় সুৰক্ষা সমিতিয়ে সম্প্ৰতি ভাৰতত থকা পাকিস্তানী নাগৰিকক ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়াৰ পাছতে এই লোকসকলে নিজ দেশলৈ ঘূৰি যায়। ইয়াৰ পূৰ্বে যোৱা বৃহস্পতিবাৰে ২৮ জন লোক পাকিস্তানলৈ ঘূৰি যায়। ইপিনে চুবুৰীয়া দেশখনৰ পৰা মুঠ ২৮৭ গৰাকী ভাৰতীয় নাগৰিক দেশলৈ উভতি আহিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

০০০০

পশ্চিম পাকিস্তানৰ বেলুচিস্তান প্ৰদেশত কালি আই ই ডি বিস্ফোৰণত পাকিস্তানী অৰ্ধসামৰিক বাহিনীৰ ১০ জন লোক নিহত হয় বুলি বেলুচ লিবাৰেছন আৰ্মীয়ে দাবী কৰিছে। আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাৰ বাতৰিত প্ৰকাশ পোৱা অনুসৰি অৰ্ধসামৰিক বাহিনীৰ বাহনখন কোৱেট্টাৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ নিলগৰ মাৰ্গট চৌকৰ পথৰ দাঁতিত সংস্থাপিত বোমাত খুন্দা মৰাৰ ফলত এই বিস্ফোৰণ সংঘটিত হয়। বেলুছ লিবাৰেছন আৰ্মীয়ে এই বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰি পাকিস্তানী সেনাৰ বিৰুদ্ধে এনে অভিযান অব্যাহত থাকিব বুলি ভাবুকি দিছে। ইয়াৰ এদিন পূৰ্বে বেলুচিস্তানৰ কালাট জিলাত পথৰ দাঁতিত সংস্থাপিত বোমাৰ বিস্ফোৰণ ঘটি তিনিজন লোকৰ মৃত্যু হৈছিল।

০০০০

বিশ্বৰ ৰোমান কেথলিক চাৰ্চ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত সম্পন্ন কৰা হ'ব। ভেটিকান চিটীৰ ছেইণ্ট পিটাৰ্ছ স্কুৱেৰত ভাৰতীয় সময় অনুসৰি আজি দিনৰ ডেৰ বজাত শেষকৃত্য কাৰ্যসূচী আৰম্ভ হ'ব। এই শেষকৃত্য কাৰ্যসূচীত বিশ্বৰ ভালেকেইগৰাকী ৰাষ্ট্ৰপ্ৰধান আৰু প্ৰতিনিধিৰ লগতে সাধাৰণ জনতাই অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ তেওঁৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিব। শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া বিশ্বৰ নেতাসকলৰ ভিতৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা দ্যা ছিলভা আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেই অন্যতম।

যোৱা ২১ এপ্ৰিলত দেহাৱসান ঘটা পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে কালি ভেটিকান চিটীত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুক এই যাত্ৰাত সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ জোশুৱা ডি ছুজাইও সংগ দিছে।

পোপ ফ্ৰান্সিছৰ প্ৰতি সন্মান জনাই ভাৰতে তিনি দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। সেই অনুসৰি যোৱা ২২ আৰু ২৩ এপ্ৰিলত দুদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰা হয় আৰু আজিও ৰাষ্ট্ৰীয় শোক পালন কৰা হৈছে।

০০০০

কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আজি ছিকিমৰ গেংটকত আয়োজিত উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি মন্ত্ৰীসকলৰ সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ শক্তিমন্ত্ৰী তথা জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে অংশগ্ৰহণ কৰিব। সন্মিলনত শক্তি খণ্ডৰ বিভিন্ন দিশ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হ'ব। ইয়াৰ পাছত শক্তি মন্ত্ৰীগৰাকীয়ে ছিকিমৰ নগৰ আৰু শক্তিখণ্ডত ৰূপায়ণ হৈ থকা তথা প্ৰস্তাৱিত উন্নয়নমূলক উদ্যামসমূহৰ বিষয়েও পৰ্যালোচনা কৰিব। এই কাৰ্যসূচীত ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙো উপস্থিত থাকিব।

০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা, ডি আৰ ডি অ'য়ে এহেজাৰ ছেকেণ্ডতকৈ অধিক সময় ধৰি ACTIVE COOLED SCRAMJET SUBSCALE COMBUSTOR গ্ৰাউণ্ড পৰীক্ষণ সম্পন্ন কৰি SCRAMJET ইঞ্জিন বিকাশৰ দিশত গুৰুত্বপূৰ্ণ সফলতা লাভ কৰিছে। ডি আৰ ডি অ'ৰ হায়দৰাবাদৰ গৱেষণাগাৰত নতুনকৈ নিৰ্মাণ কৰা SCRAMJET সংযোগ পৰীক্ষণ কেন্দ্ৰত কালি ইয়াৰ গ্ৰাউণ্ড পৰীক্ষণ কৰা হয়। ইয়াৰ পূৰ্বে জানুৱাৰীত ১২০ চেকেণ্ডৰ বাবে পৰীক্ষণ কৰা হৈছিল। SCRAMJET ইঞ্জিনৰ সফল পৰীক্ষণৰ লগে লগে সম্পূৰ্ণৰূপে উৰণ যোগ্য কম্বষ্টৰ পৰীক্ষণৰ বাবে শীঘ্ৰে এই ব্যৱস্থা সাজু হৈ উঠিব।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই উল্লখনীয় সাফল্যৰ বাবে ডি আৰ ডি অ', ঔদ্যোগীক অংশীদাৰ তথা বিজ্ঞানীসকলক অভিনন্দন জনাইছে। এই সফলতাই দেশৰ বাবে গুৰুত্বপূৰ্ণ হায়পাৰছ'নিক অস্ত্ৰ-শস্ত্ৰ প্ৰযুক্তি নিৰ্মাণৰ দিশত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকেই প্ৰতিফলিত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে  আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

ভাৰতৰ ব্ৰিকছ শ্বেৰ্পা সচিব ডাম্মু ৰবিয়ে কালি ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত ব্ৰিকছ শ্বেৰ্পা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত বহু পাক্ষিকতা, বহনক্ষম উন্নয়ন আৰু আন্তঃব্ৰিকছ সহযোগিতা বৃদ্ধি সন্দৰ্ভত গঠনমূলক আলোচনা কৰা হয়।

০০০০

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুয়ে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ সৈতে পূৰ্ণ সহযোগিতাৰ কথা প্ৰকাশ কৰে। এই আক্ৰমণক কঠোৰ ভাষাৰে গৰিহনা দি শ্ৰী নাইডুৱে এয়া কাপুৰুষৰ কাৰ্য বুলি অভিহিত কৰে। দেশৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা

সিদ্ধান্তৰ প্ৰতি সমগ্ৰ দেশবাসীৰ সমৰ্থন আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰী মোদীক আশ্বাস দিয়ে। এনে কঠিন সময়ত প্ৰদানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শক্তিশালী নেতৃত্বৰ প্ৰতি শ্ৰী নাইডুৱে আস্থা প্ৰকাশ কৰে।

০০০০

১৮৩গৰাকী যাত্ৰীয়ে দুখন বিশেষ বিমানৰ জৰিয়তে শ্ৰীনগৰৰ পৰা মুম্বাইলৈ সুকলমে ঘূৰি আহিছে বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে এটা বিবৃতিযোগে জানিবলৈ দিছে। এই দুয়োখন বিমানৰ যাত্ৰা বিনামূলীয়া আছিল বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। তৃতীয়খন বিমানযোগে আৰু ২৩২গৰাকী যাত্ৰী সন্ধিয়াৰ ভাগলৈ মুম্বাইত উপস্থিত হৈছে। জম্মু-কাশ্মীৰৰ পৰা এতিয়ালৈকে প্ৰায় ৫০০গৰাকী যাত্ৰী সুকলমে তেওঁলোকৰ ঘৰলৈ উভতি যোৱা বুলিও মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হোৱা এখন খেলত ছানৰাইজাৰ্চ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰে। ১৫৫ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ছানৰাইজাৰ্চ হায়দৰাবাদে ১৮ অভাৰ আৰু ৪ টা বলতেই ৫ টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। হায়দৰাবাদৰ হৈ ঈষাণ কিষানে ৩৪ টা বলত ৪৪ ৰান কৰে। চেন্নাইৰ হৈ নুৰ আহমেদে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ এটা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৫৪ ৰান কৰে। চেন্নাইৰ হৈ দেৱাল্ড ব্ৰেভিছে ২৫ টা বলত ৪২ ৰানৰ উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ হৰ্যল পেটেলে ৪ টা উইকেট দখল কৰে। হৰ্যলক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে সাত বজাত ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্চ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত